জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৫৩/২০২৩**

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই শুভ উদ্বোধন কৰিলে অসম বিধান সভাৰ নৱনিৰ্মিত ভৱন

## অসম বিধান সভা হৈছে সৰ্বোচ্চ গণতান্ত্ৰিক মঞ্চ ঃ মুখ্যমন্ত্ৰী

## নতুন বিধান সভা ভৱনত ধ্ৰুপদী তথা থলুৱা স্থাপত্যৰ পৰম্পৰা আৰু আধুনিকতাৰ সংগম প্ৰতিফলিত হৈছে ঃ মুখ্যমন্ত্ৰী

## অসম বিধান সভা বহু উজ্জ্বল জ্যোতিষ্কই মহিমামণ্ডিত কৰি গৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি অসম বিধান সভাৰ নৱনিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত সভাত লোকসভাৰ অধ্যক্ষ ওম বিৰলাক কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতীয় সংসদীয় গণতন্ত্ৰৰ এটি উজ্জ্বল ব্যক্তিসত্ত্বা হৈছে ওম বিৰলা। লোকসভাৰ অধ্যক্ষ হিচাপে তেওঁ গ্ৰহণ কৰা কেতবোৰ উল্লেখনীয় পদক্ষেপে সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাটোক উজ্জীৱিত কৰাৰ উপৰি ইয়াৰ সৌষ্ঠৱ বৃদ্ধিত অৰিহণা যোগাইছে বুলি ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অধ্যক্ষ হিচাপে এই সময়ছোৱাৰ ভিতৰতে জনমুখী আইন প্ৰণয়ন কৰাৰ দিশত তেওঁ নতুন ইতিহাসৰ সূচনা কৰিছে। অসমৰ প্ৰতিগৰাকী সাংসদক লোকসভাত বিভিন্ন বিষয় উত্থাপন কৰিবলৈ লোকসভাৰ অধ্যক্ষ গৰাকীয়ে প্ৰেৰণা যোগাই আহিছে বুলিও তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উক্তি ভাষণ প্ৰসংগত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে 'আমাৰ পৱিত্ৰ আৰু অংশীদাৰী মূল্যবোধৰ অন্যতম প্ৰতিভু হৈছে গণতন্ত্ৰ।' জি-২০ সন্মিলনৰ গৌৰৱোজ্জ্বল সময়ছোৱাত সদস্য দেশসমূহে ভাৰতক গণতন্ত্ৰৰ জননী হিচাপে স্বীকৃতি আৰু সন্মান প্ৰদৰ্শন কৰিছে। আমেৰিকা ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীক দেখুৱা সন্মানে ভাৰতবৰ্ষক মহিমামণ্ডিত কৰি তুলিছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰাচীন কালৰ পৰা ভাৰতবৰ্ষ হৈছে গণতন্ত্ৰৰ পীঠস্থান। পৃথিৱীৰ প্ৰাচীনতম আৰু বৃহত্তম গণতান্ত্ৰিক দেশ ভাৰতবৰ্ষত সংসদকে গণতন্ত্ৰৰ সৰ্বোচ্চ মন্দিৰ ৰূপে আখ্যা দিয়া হয়। তেওঁ কয় যে অসম বিধান সভা হৈছে সৰ্বোচ্চ গণতান্ত্ৰিক মঞ্চ। অসম বিধান সভাৰ এক গৰিমামণ্ডিত ইতিহাস আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষৰ বিধান সভাসমূহৰ ভিতৰত অসম বিধান সভা হৈছে অনত্যম পুৰণি বিধান সভা।

পৱিত্ৰ অসম বিধান সভাই ৰাজ্যখনৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক, অৰ্থনৈতিক ভেটি শক্তিশালী

কৰণৰ দিশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সকলো স্তৰৰ জনসাধাৰণক লগত লৈ সমান্তৰালভাৱে অসমৰ উন্নয়নৰ প্ৰক্ৰিয়াটোত এই বিধান সভাই এটা ডাঙৰ ভূমিকা পালন কৰিছে। সময়ৰ প্ৰয়োজনীয়তা পূৰণ কৰি আৰু পৰিৱৰ্তিত সময়ৰ লগত খাপ খুৱাই আগবঢ়াৰ উদ্দেশ্যে ভাৰত চৰকাৰ চেণ্ট্ৰেল ভিষ্টা প্ৰকল্পৰ নিচিনা অসম চৰকাৰেও সকলো আধুনিক সা-সুবিধাযুক্ত অত্যাধুনিক বিধান সভা ভৱন নিৰ্মাণৰ এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছিল। এই বিধান সভা ভৱন ই-বিধান ব্যৱস্থা, অত্যাধুনিক দৃশ্য-শ্ৰাব্য আৰু সম্প্ৰচাৰ প্ৰযুক্তিৰে সজ্জিত। এই বিধান সভাত অধ্যক্ষ, উপাধ্যক্ষ আৰু মুখ্যমন্ত্ৰীৰ বাবে অত্যাধুনিক কাৰ্যালয় চৌহদ, মন্ত্ৰীসকলৰ কক্ষ, শাসক দল, বিৰোধী দল আৰু অন্যান্য দলৰ বাবে সভাকক্ষ, অত্যাধুনিক চেণ্ট্ৰেল হল, বিধানসভাৰ সকলো কমিটীৰ বাবে সময়োপযোগী সভাকক্ষ, ভিডিঅ' কনফাৰেঞ্চিং আদি সুবিধাযুক্ত আধুনিক কাৰ্যালয় নিৰ্মাণ শৈলীয়ে আত্মবিশ্বাসী অসমৰ পৰিচয় দাঙি ধৰে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই ভৱনে বিকশিত আৰু আত্মবিশ্বাসী অসমৰ নিদৰ্শন তুলি ধৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজধানী গুৱাহাটী মাজমজিয়াত অৱস্থিত এই নতুন বিধান সভা প্ৰকল্পৰ আৰ্হি এটা কীৰ্তিচিহ্নৰ দৰে। ই অসমৰ ধ্ৰুপদী তথা থলুৱা স্থাপত্যৰ পৰম্পৰা আৰু আধুনিকতাৰ সংগমক প্ৰতিফলিত কৰিছে। বিধান সভাৰ কক্ষসমূহ চহকী আৰু বৈচিত্ৰময় অসমীয়া শিল্প পৰম্পৰাৰে সজাই তোলা হৈছে। অসমৰ জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি প্ৰতিফলিত হোৱা এই ভৱন ভাৰতৰ মহান গণতন্ত্ৰৰ মূল্যবোধৰ প্ৰতীক স্বৰূপ বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসম বিধান সভাৰ এক চহকী ইতিহাস আছে। বিগত সময়ছোৱাত কেইবাজনো মহান ব্যক্তিয়ে বিধান সভাৰ মজিয়া সুশোভিত কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰাজ্ঞ ব্যক্তিসকলৰ মাজত অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আছিল এক সুকীয়া স্থান। ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ স্মৃতি বিজড়িত অসম বিধান সভা ইতিহাসৰ বহু উল্লেখযোগ্য ঘটনাৰ সাক্ষী হৈ আছে বুলি তেওঁ কয়। তেওঁ লগতে কয় যে এই বিধান সভাৰ মজিয়াৰ পৰাই বিধানসভাৰ সদস্যসকলে খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰা লাইন প্ৰথা বিলুপ্তিৰ বিৰুদ্ধে, অথবা কেবিনেট মিশ্যনৰ গ্ৰুপিং প্ৰস্তাৱৰ ভিত্তিত অসমখন পূব পাকিস্তানত যাতে অন্তৰ্ভুক্ত নহয় তাৰ বাবে বিৰামবিহীন যুঁজ দিছিল। গণতন্ত্ৰৰ এই মন্দিৰৰ পৰাই তেখেতসকলে খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ অধিকাৰৰ বাবেও নিৰৱচ্ছিন্নভাৱে কাম কৰি গৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসম বিধানসভাৰ মজিয়াতে অসমত বিশ্ববিদ্যালয় স্থাপনৰ প্ৰথম চৰকাৰী প্ৰয়াস আৰম্ভ হৈছিল। অসম বিধান সভাত গোপীনাথ বৰদলৈয়ে উত্থাপন কৰা প্ৰস্তাৱৰ ভিত্তিত গুৱাহাটীত উচ্চন্যায়ালয় স্থাপনৰ সিদ্ধান্ত হৈছিল বুলিও তেওঁ কয়। বিধানসভাত শাসক-বিৰোধীৰ পূৰ্ণ সমৰ্থনত অসমত তেল শোধানাগাৰ স্থাপনৰ প্ৰস্তাৱ গৃহীত হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে ক্ষমতা বিকেন্দ্ৰীকৰণেৰে গাঁও পঞ্চায়তসমূহক অধিক শক্তিশালী কৰা, গো-সুৰক্ষা নিশ্চিত কৰা, অসমৰ ভূমি ৰাহজ ব্যৱস্থাৰ পৰা জমিদাৰী প্ৰথা বিলুপ্ত কৰা, ৰাজ্যত বিভিন্ন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ়ি তোলা, শিক্ষানুষ্ঠানসমূহত ৰেগিঙৰ দৰে ভয়ানক ব্যাধি বন্ধ কৰা, সু-প্ৰশাসনৰ বাবে লোকসেৱা অধিকাৰ আইন প্ৰণয়ন কৰা, ব্যৱসায়-বাণিজ্য আৰু উদ্যোগীকৰণৰ অনুকুল পৰিৱেশ নিৰ্মাণৰ বাবে তথা ৰাজ্যৰ আৰ্থ-সামাজিক দিশ চুই যোৱা বহু

গুৰুত্বপূৰ্ণ আইন অসম বিধান সভাৰ পবিত্ৰ মজিয়াত বিগত বছৰবোৰত প্ৰণয়ন হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে অসম বিধান সভাক বহু উজ্জ্বল জ্যোতিষ্কই মহিমামণ্ডিত কৰি গৈছে। গৌৰীশংকৰ ভট্টাচাৰ্য সেইসকলৰ অন্যতম বুলি উল্লেখ কৰি তেওঁ কয় যে বিধান সভাৰ সদস্য হিচাপে তেওঁৰ ২৬ বছৰীয়া কাৰ্যকালত তথা বিৰোধীপক্ষৰ নেতা হিচাপে গৌৰীশংকৰ ভট্টাচাৰ্যই সমাজৰ বঞ্চিত আৰু দৰিদ্ৰ শ্ৰেণীৰ অধিকাৰৰ হকে দায়বদ্ধতাৰে কাম কৰিছিল। অসমৰ সাংস্কৃতিক আৰু সাহিত্য জগতৰ তিনি নক্ষত্ৰ ক্ৰমে ড° ভূপেন হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু  লক্ষ্যধৰ চৌধুৰীও অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। বিষ্ণুৰাম মেধি, ভীমবৰ দেউৰী, ৰূপনাথ ব্ৰহ্ম, অমিয় কুমাৰ দাস, পুষ্পলতা দাস, ফখৰুদ্দিন আলী আহমেদ, শৰৎ চন্দ্ৰ সিংহ, বিমলা প্ৰসাদ চলিহা, মহেন্দ্ৰ মোহন চৌধুৰী, দেৱকান্ত বৰুৱা, হিতেশ্বৰ শইকীয়া, তৰুণ গগৈৰ দৰে জননেতাসকলে এসময়ত অসম বিধানসভাৰ মজিয়া শুৱনি কৰিছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বিধান সভাত হোৱা কেতবোৰ উচ্চমানৰ বিতৰ্কৰ উদাহৰণো উল্লেখ কৰে। বহু মনীষীয়ে তেওঁলোকৰ উপস্থিতিৰে অসম বিধান সভাক সমৃদ্ধ কৰি থৈ গ'ল। সেইসকলৰ চিন্তাত অসম আৰু অসমৰ জনতাৰ স্বাৰ্থই সদায় অগ্ৰাধিকাৰ লাভ কৰি আহিছে। তেওঁ কয় যে অসমৰ ৰাইজৰ আশা-ভৰসাৰ থলীৰূপে অসম বিধান সভাৰ ঐতিহ্য আৰু গৰিমা অক্ষুণ্ণ ৰখাটো সকলোৰে কৰ্তব্য। অসমৰ ভাগ্য নিয়ন্তাৰ ৰূপত অসম বিধান সভাই জাতীয় জীৱনৰ উত্তৰণৰ হকে কাম কৰি যোৱাটো সময়ৰ আহ্বান বুলি তেওঁ কয়।

আজিৰ এই অনুষ্ঠানত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, জাহাজ, বন্দৰ আৰু জল পৰিবহণ দপ্তৰৰ কেন্দ্ৰীয়  মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পেট্ৰ'লিয়াৰ আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰীসকল,  সাংসদসকল, বিধায়কসকল, চৰকাৰৰ শীৰ্ষ বিষয়াসকল আৰু গণ্য মান্য ব্যক্তি সকল উপস্থিত থাকে।

**প্ৰঃদাঃ**
**৩০/০৭/২০২৩**